# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 03-06-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::**

১। ভাৰতে সন্ত্ৰাস আৰু পাৰমানৱিক যুদ্ধৰ ভীতি প্ৰদৰ্শনৰ ছায়াত জীয়াই নাথাকে বুলি ছীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে স্পষ্ট কৰি দিছে।

২। উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও জটিল হৈ আছে।

৩। অসমৰ সম্প্ৰতি বান পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনযোগে কথা পাতে।

৪। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি যুৱ কণ্ঠ, বিশেষজ্ঞ আৰু নেতাসকলক ঐক্যবদ্ধ কৰাৰ উদ্দেশ্যে নগৰীয়া আদ্দা ২০২৫ শীৰ্ষক ৩ দিনীয়া সন্মিলন মুকলি কৰে। ***আৰু***

৫। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কিছুসময় পাছত হবলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতে সন্ত্ৰাস আৰু পাৰমানৱিক যুদ্ধৰ ভীতি প্ৰদৰ্শনৰ ছায়াত জীয়াই নাথাকে বুলি ছীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে স্পষ্ট কৰি দিছে। তেওঁ কয়, যে পাকিস্তানৰ ছায়া যুদ্ধক কোনো কাৰণতে সহ্য কৰা নহব। সাবিত্ৰী বাই ফুলে পুণে বিশ্ববিদ্যালয়ত ভৱিষ্যতৰ যুদ্ধ আৰু যুদ্ধ কৌশল সন্দৰ্ভত বক্তৃতা দি শ্ৰীচৌহানে আজি এইদৰে প্ৰকাশ কৰে। সেনা বাহিনীৰ নতুন নীতিৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে তেওঁলোকে সামৰিক অভিযানৰ সন্ত্ৰাসবাদক পানীৰ দৰে গুৰুত্বপূৰ্ণ সম্পদৰ সৈতে সংযুক্ত কৰিছে। তেওঁ কয় যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ক্ষীপ্ৰ আৰু নিখুত প্ৰত্যুত্তৰ হিচাপে আৰম্ভ কৰা অপাৰেশ্বন সিন্দূৰৰ জৰিয়তে সীমান্তৰ সিপাৰৰ আৰু পাকিস্তান অধিকৃত কাশ্মীৰত থকা সন্ত্ৰাসবাদী শিবিৰসমূহত আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছিল।

০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও জটিল হৈ আছে। অসমত সাম্প্ৰতিক বানত ২১ খন জিলাৰ ৫ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৬৫ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ১৫৭ টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰত ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হৈছে। ৰাজ্যখনত সাম্প্ৰতিক বানত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হোজাই জিলাত এজন লোকৰ মৃত্যু হয় আৰু ডিব্ৰুগড় আৰু হাইলাকান্দিত দুজন লোক সন্ধানহীন হয়। এছ্ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীত ডিব্ৰুগড় জিলাৰ উপকণ্ঠ অঞ্চল বগীবিলৰ কেইবাখনো গাঁও প্লাৱিত হৈছে। বানে কেইবাশ বিঘা কৃষিভূমি বুৰাই পেলাইছে। এতিয়াও অঞ্চলটোৰ কমেও ২৭ টা পৰিয়ালৰ বাসগৃহ পানীত বুৰ গৈ আছে।

বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈ আছে। বৰাক, লংগাইৰ আৰু কুছিয়াৰা নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ ফলত ন ন অঞ্চল প্লাৱিত হৈছে। জিলা সদৰত ৯ টা সাহায্য শিবিৰ মুকলি কৰি সাহায্য সামগ্ৰী বিতৰণ কৰি থকা হৈছে।

ছিকিমৰ মাংগন জিলাত আজি এন ডি আৰ এফে হেলিকপ্তাৰেৰে বানত আবদ্ধ দুজন বিদেশী নাগৰিকসহ ৩৪ জন লোকক উদ্ধাৰ কৰে। প্ৰবল বৰষুণৰ পাছত হোৱা ভূমিস্খলনত ৰাজ্যখনত তিনিজন সেনা বাহিনীৰ জোৱানৰ মৃত্যু হোৱাৰ লগতে ছজন লোক সন্ধানহীন হৈ আছে। মিজোৰামৰ আজি চতুৰ্থ দিনাও শিক্ষানুষ্ঠানসমূহ প্ৰতিকুল পৰিস্থিতিৰ বাবে বন্ধ ৰখা হৈছে। ৰাজ্যখনৰ ২১১ টা স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। মেঘালয়ৰ বিভিন্ন স্থানতো বান আৰু ভূমিস্খলনৰ ফলত সমস্যাৰ সৃষ্টি হৈছে।

নাগালেণ্ড আৰু মণিপুৰত হোৱা প্ৰবল বৰষুণৰ ফলত ৰাজ্য দুখনক সংযোগ কৰা ২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱা ছিগি যোৱাৰ ফলত সেই পথেৰে যান-বাহনৰ চলাচল ব্যাহত হৈছে। এই পথছোৱাৰ দুয়োকাষে মালবাহী ট্ৰাককে ধৰি ভালেসংখ্যক যান-বাহন কেইবাদিনো ধৰি আবদ্ধ হৈ আছে।

মণিপুৰৰ পূব ইম্ফল, সেনাপতি আৰু পশ্চিম ইম্ফল জিলা বানত অধিক ক্ষতিগ্ৰস্ত হৈছে। ত্ৰিপুৰাত বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বিভিন্ন স্থান প্লাৱিত হৈ থকাৰ বাবে ৬৬ টা আশ্ৰয় শিবিৰত ১০ হাজাৰ ৮০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ পশ্চিম ত্ৰিপুৰা আৰু গোমতি জিলাৰ বিভিন্ন অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে। নাগালেণ্ডৰ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ৰাজ্যখনত ধাৰাসাৰ বৰষুণ আৰু বান পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকা প্ৰকাশ কৰি সতৰ্কতা জাৰি কৰিছে।

ভাৰতীয় বতৰ বিজ্ঞান  বিভাগে বৰষুণৰ আশংকা কৰি উত্তৰ পূৰ্বাঞ্চলৰ বাবে অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী ড০ আৰ কে জেনামুনিয়ে পৰৱৰ্তী দুদিনত অঞ্চলটোত ধাৰাষাৰ বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০

অসমৰ সম্প্ৰতি বান পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনযোগে কথা পাতে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসম আৰু চুবুৰীয়া ৰাজ্যসমূহত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতি আৰু ৰাজ্যখনৰ বিভিন্ন অঞ্চলত পৰা ইয়াৰ প্ৰভাৱ সন্দৰ্ভত প্ৰধানমন্ত্ৰীক অৱগত কৰে। ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো ধৰণৰ সাহায্য বান পীড়িতক আগবঢ়োৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বান পৰিস্থিতিৰ কথা বুজ লোৱা বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে  সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি প্ৰধানমন্ত্ৰীয়ে আশ্বাস দিয়া বুলি জানিবলৈ দিছে।

প্ৰধানমন্ত্ৰীয়ে ছিকিমৰ শোচনীয় বান পৰিস্থিতি সন্দৰ্ভত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙৰ সৈতেও টেলিফোন যোগে কথা পাতে। শ্ৰী মোদীয়ে বান, ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ  কবলত পৰা ৰাজ্যখনক সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰী টামাঙে ইয়াৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক কৃতজ্ঞতা

জনায় কয়, পৰিস্থিতি চম্ভালিবৰ বাবে ৰাজ্য প্ৰশাসন সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ আৰু দুৰ্যোগৰ কবলত পৰা লোকসকলক সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি যুৱ কণ্ঠ, বিশেষজ্ঞ আৰু নেতাসকলক ঐক্যবদ্ধ কৰাৰ উদ্দেশ্যে নগৰীয়া আদ্দা ২০২৫ শীৰ্ষক ৩ দিনীয়া সন্মিলন মুকলি কৰে। এই উপলক্ষে ভাষণ দি মন্ত্ৰীগৰাকীয়ে চাইকেল চলোৱাটো উত্তম ব্যায়াম বুলি অভিহিত কৰে। তেওঁ কয় যে চাইকেল চলোৱাৰ অভ্যাসে জনসাধাৰণক সুস্থ কৰি ৰখাই নহয় বৰং পৰিবেশ সুৰক্ষাটো সহায় কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ড০ ভৈৰৱী যোশীয়ে ৰচনা কৰা চাইক্লিং, চিলড্ৰেন এণ্ড ছিটিজ আৰু ড০ ভৈৰৱী যোশী আৰু  এ আৰ কুশ পাৰিখে লিখা চাই কেল টু স্কুল নামৰ এখন গ্ৰন্থ উন্মোচন কৰে।

০০০০০

অপাৰেচন সিন্দূৰৰ অধীনত অব্যাহত থকা সন্ত্ৰাসবাদ বিৰোধী কামকাজ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি বিশ্বজুৰি প্ৰচাৰৰ বাবে সম্প্ৰতি ভাৰতৰ সৰ্বদলীয় প্ৰতিনিধি দলৰ বিশ্ব ভ্ৰমণ অব্যাহত আছে। বিশ্বৰ বিভিন্ন দেশলৈ যোৱা সাতটা প্ৰতিনিধি দলে সংশ্লিষ্ট ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গ, জ্যেষ্ঠ বিষয়া, প্ৰভাৱশালী চিন্তাবিদ, সংবাদমাধ্যম আৰু প্ৰবাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিছে।

আলজেৰিয়া, চৌডি আৰব, কুৱেইট আৰু বাহৰেইন সফল ভ্ৰমণ সামৰি স্বদেশলৈ ঘুৰি অহা বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বৰ দলটোৱে আজি নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰে। ড০ জয়শংকৰক সাক্ষাৎ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত প্ৰতিনিধি দলৰ সদস্য কূটনীতিবিদ হৰ্ষবৰ্ধন শ্ৰীংলাই কয়, যে দলটোৱে বিদেশ মন্ত্ৰীক তেঁওলোকৰ মতামত অৱগত কৰিছে। তেঁও কয় যে ড০ জয়শংকৰে প্ৰতিনিধি দলটোক অভিনন্দন জনাইছে আৰু দলটোৰ বিদেশ যাত্ৰাৰ সকলো উদ্দেশ্য পূৰণ হৈছে বুলি প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৬ জুনত জম্মু-কাশ্মীৰত চেনাব দলং উদ্বোধন কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ সিঙে কয়, যে বিশ্বৰ সৰ্বোচ্চ এই ৰে'ল দলং নৱ ভাৰতৰ শক্তি আৰু দৰ্শনৰ প্ৰতিক হিচাপে থিয় দিছে। তেওঁ লগতে কয়, যে উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল যোগাযোগ প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা চেনাব ৰে'ল দলংখন অতি কঠিন প্ৰাকৃতিক প্ৰত্যাহ্বানৰ মাজতো অটল হৈ থাকিব পৰাকৈ অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰি উলিওৱা হৈছে।

০০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কিছুসময় পাছত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাঞ্জাব কিংছৰ  বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰজত পাটিদাৰ নেতৃত্বাধীন বেংগালুৰুৰ দলটোৱে চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত পঞ্জাব কিংছক ৮ উইকেটত পৰাস্ত কৰালৈ চাই আজিৰ খেলখনত দলটোৰ সম্ভাৱনা অধিক বুলি কোৱা হৈছে। অৱশ্যে প্ৰথমখন কোৱালিফায়াৰত পৰাজয়ৰ সন্মুখীন হোৱা শ্ৰেয়াছ আয়াৰৰ নেতৃত্বাধীন পাঞ্জাব কিংছে আহমেদাবাদত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। ফাইনেল খেলৰ পূৰ্বে আজি বাৰেৰহনীয়া

সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ-বিচিচিআইয়ে অপাৰেশ্বন সিন্দূৰৰ সফলতাৰ কৃতজ্ঞতা স্বৰূপে সশস্ত্ৰ বাহিনীসমূহলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ